জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

…কীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৪২ ● বৃহস্পতিবাৰ ● ৩০ বহাগ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday May 14, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্র…

## ট্রেডিং কেলেংকাৰি দীপাংকৰ বৰ্মনৰ জামিন লাভ

গুৱাহাটী ঃ ৰিপ'ৰ্টাৰ, ১৩ মে' ঃ ৰাজ্য কঁপোৱা ট্রেডিং কেলেংকাৰিত জড়িত দীপাংকৰ বৰ্মনে জামিন লাভ কৰিছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁৰ জামিন মঞ্জুৰ কৰে। ৪০০ কোটিটকীয়া ট্রেডিং কেলেংকাৰিত অভিযুক্ত হৈ জেলত আছিল বৰ্মনে। তেওঁ ডি বি ষ্টক ব্ৰকিং কনছালটেন্সিৰ জৰিয়তে ট্রেডিঙৰ নামত ধন লুটাৰ অভিযোগ উত্থাপন হৈছিল। ইডিয়ে ইতিমধ্যে বৰ্মনৰ সম্পত্তি জব্দ কৰিছে। ইফালে চিবিআইৰ গাফিলতিৰ বাবেই বৰ্মনে জামিন লাভ কৰা বুলি অভিযোগ উত্থাপন হৈছে।

### চিত্ৰকাব্য হৈছে আলোকচিত্ৰ আৰু কবিতাৰ মাজৰ এক কথোপকথন ঃ ডাঃ ৰঞ্জিত বৰুৱা

## কানৈ কলেজৰ শাখা (শতদল) সাহিত্য সভাৰ বক্তৃতানুষ্ঠান



ডিব্রুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ ১৩ মে' ঃ 'চিত্ৰকাব্য হৈছে আলোকচিত্ৰ আৰু কবিতাৰ মাজৰ এক কথোপকথন। চিত্ৰকাব্যই কবিতাক এখন ছবিৰ শিৰোনাম হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ছবিৰ গভীৰলৈ সোমাই যাবলৈ শ্ৰোতাক অনুপ্ৰেৰণা দিয়ে।' ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ শাখা (শতদল) সাহিত্য সভাৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এক বক্তৃতানুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰসিদ্ধ চিকিৎসক, কবি তথা আলোকচিত্ৰ শিল্পী ডাঃ ৰঞ্জিত বৰুৱাই আজি এইদৰে কয়। 'চিত্ৰকাব্য ঃ এক নতুন শিল্পৰ কথাৰে' শীৰ্ষক এক অনন্য আৰু ব্যতিক্ৰমী বক্তৃতা প্ৰদান কৰি ডাঃ বৰুৱাই কয়, 'পোহৰৰ সহায়ত সৃষ্টি কৰা আলোকচিত্ৰ আৰু বাকশিল্প দুয়োটাই পৃথক কলা। দুয়োটাকে পৰিপূৰক হিচাপে প্ৰয়োগ কৰি এই নতুন শিল্পশৈলী 'চিত্ৰকাব্য' প্ৰাণ সঞ্চাৰ কৰা হয়। সেয়েহে তেওঁ এই দুই শিল্পক একেলগে আত্মীয় ভগ্নী বুলি অভিহিত কৰে। অৰ্থাৎ কবিতাই ছবিৰ চকু

১১ পিঠিলৈ

# দৈনিক জনমভূমি

চুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৪২ ● বৃহস্পতিবাৰ ● ৩০ বহাগ ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Thu

ৰোগ বিশেষজ্ঞ ডাঃ দীপজ্যোতি বৰাই মানসিক স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু সম্পৰ্কে এক অতি তথ্যসমৃদ্ধ বক্তব্য জক বিপথে পৰিচালিত কৰা কাৰকসমূহৰ া পৰিত্ৰাণ পোৱাৰ উপায়সমূহ বহলাই কাৰৰ 'নিচা মুক্ত ভাৰত অভিযান'ৰ মূল ৰ পৰ্যায়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিচা চাৰ ড° প্ৰাণজিত কলিকতাই উপস্থিত সজাগতা কাৰ্যসূচীত ড° অনুপল বৰুৱা, ৰগোহাঁই, ঋষভ চক্ৰবৰ্তী আৰু অভিজিৎ অধিক শিক্ষাৰ্থীৰ সক্ৰিয় অংশগ্ৰহণেৰে এক সজাগতা সভাতে সীমাবদ্ধ নাথাকি তে বিশ্ববিদ্যালয় চৌহদক এক সম্পূৰ্ণ হিচাপে গঢ়ি তোলাৰ দিশত এক অত্যন্ত চাপে পৰিগণিত হ'ব।

## ...লাক্ষেত্ৰ'ৰ...

যাগিতাত বিশিষ্ট নাট্যকাৰ পংকজজ্যোতি পস্থিত থাকে ক্ৰমে নাট্যকাৰ, অভিনেতা ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা মহাবিদ্যালয়ৰ ভনেত্ৰী নিবেদিতা ভৰালী। প্ৰতিযোগিতাত গাষ্ঠী, গোলাঘাট, দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল য় শ্ৰেষ্ঠ দল হিচাপে প্ৰয়াস নাট্যগোষ্ঠী, শ্ৰেষ্ঠ পাণ্ডুলিপি বিবেচিত হয় 'ঈচেঙৰ পে ক্ৰমে দিগন্ত কাকতি আৰু শিল্পীকা ন য়েইন, শ্ৰেষ্ঠ শিশুশিল্পী হিচাপে ধৃতি বড়ো, শ্ৰেষ্ঠ ৰূপসজ্জাত কুমাৰ কিশোৰ কা, শ্ৰেষ্ঠ আলোকসজ্জা হিচাপে ৰনাল্ড য়ন য়েইন বিবেচিত হয়। প্ৰতিযোগিতাৰ

## কানৈ কলেজৰ শাখা...

*দুই পিঠিৰ পৰা* হিচাপে পথ প্ৰদৰ্শকৰ কাম কৰে। কানৈ মহবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ সম্পাদক ড° নিতুমণি শইকীয়াই আঁত ধৰা আৰু ড° তৃষ্ণা দুৱৰা কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটিত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অধ্যক্ষ ড° শইকীয়াই কয়, 'সাহিত্যই মানুহৰ মনত নৈতিক প্ৰমূল্যবোধৰ উন্মেষ কৰি মন সংস্কাৰ কৰে।' তেওঁ কয় যে সাহিত্যৰ লগত জড়িত হৈ থকা প্ৰতিজন ব্যক্তিয়েই সমাজৰ ভাল-বেয়া, উচিত-অনুচিত, ন্যায়-অন্যায় কথাবোৰ বুজি পায়। সেয়েহে সাম্প্ৰতিক সময়ত সাহিত্য অধ্যয়ন আৰু চৰ্চাৰ অতিশয় প্ৰাসংগিকতা আছে। সাহিত্যই মানুহৰ মন, মগজু আৰু চৰিত্ৰ গঠনত সহায় কৰে।' তেওঁ পুনৰ কয় যে সহানুভূতি আৰু মানৱীয়তাৰ জাগৰণ, কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আত্মবিশ্লেষণ আৰু মানসিক পৰিপক্কতা, দেশপ্ৰেম আৰু জাতীয়তাবোধ উন্মেষৰ ক্ষেত্ৰত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে উদ্দেশ্য আগত ৰাখিয়েই কানৈ মহাবিদ্যালয়ত সাহিত্য সভাৰ এটা শাখা মুকলি কৰা হৈছিল বুলিও তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° ফৰিদা আহমেদ, জ্যেষ্ঠ অধিবক্তা, শিশু সাহিত্যিক তথা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰসেনজিৎ গোস্বামী আৰু ডাঃ ৰঞ্জিত বৰুৱাক অসম সাহিত্য সভাৰ তৰফৰ পৰা অসমীয়া নৱবৰ্ষৰ বিহু ওলগনি জনাই বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগ আৰু সম্পাদক ভাগ্যেশ্বৰ গগৈৰ উপস্থিতিত শতদল শাখাৰূপে স্বীকৃতি লাভ কৰা কানৈ মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ এশজন সদস্যক আজীৱন সভ্যৰ মান-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শতদল শাখাৰ এবছৰ কৰ্মৰ খতিয়ান দাঙি ধৰি শাখাই প্ৰকাশ কৰি উলিওৱা এখন মুখপত্ৰ উন্মোচন কৰা হয়। অনুষ্ঠানত চহৰখনৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বিশিষ্ট বক্তা ডাঃ ৰঞ্জিত বৰুৱাক এখন প্ৰশংসা-পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে সম্বৰ্ধনা জনায়।

কৃষ্ণা কলিতা, জোৰভা বৰুৱাৰ বিহু নাচ, ন আবৃত্তি, কৌশিকী গোস্বামী, ৰণেন্দ্ৰ চন্দ্ৰ সত্যজিৎ দত্ত, অবিনাশ বৰা, কৃতাৰ্থ কুমাৰ দ ৰিদিপৰ কবিতা আলেখ্য, অংকিতা কলিতা, মাপ্পাপ আদিৰে অনুষ্ঠানটো জীপাল কৰি তো পূৰ্বে অনুষ্ঠিত অসম ভিত্তিক সাহিত্য প্ৰতিযে সাহিত্য প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এই বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়ৰ কেই প্ৰবন্ধ শাখাত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম প্ৰতিযোগীক পুৰস্কৃত কৰা হয়। অনুষ্ঠানত স্বপ্নালী দাস, ড° কাকলি গগৈ, কটন 'নবীন শৰ্মাৰ লগতে বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিশ্ববিদ্যালয় নবীনৰ সভাপতি ড° ধ্ৰুবজ্যো

## ২১ মে'ৰ...

*দুই পিঠিৰ পৰা* লগতে ৰাজহুৱা শিক্ষাৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়ে স্মাৰক-পত্ৰ প্ৰদ মহকুমা সমিতিৰ প্ৰতিনিধি দলে নিজ নিজ ম জনাবলৈ যোৱা ৩ মে'ত অনুষ্ঠিত সন্মিলনী সন্মিলনীৰ সভাপতি নীলাক্ষী গগৈ আৰু কাকতলৈ প্ৰেৰণ কৰা বিবৃতিত কয় যে স্বীকৃতিৰূপে বাইজে নিজৰ নেতাৰূপে বিধায়কসকলক শিক্ষা ক্ষেত্ৰখনৰ ভিন্ন বিষ দায়িত্ব। সেয়ে সন্মিলনীয়ে শিক্ষকৰ পাঠ্যক্ৰম অধিক সময় কটোৱাৰ সুবিধা কৰা, পাঠ্যপু পুৰণি পেঞ্চন নীতি পুনৰ বাহাল কৰা, স্নাত গ্ৰেড পে' ঘুৰাই দিয়া আদি বিষয়সমূহ অবগত মহকুমাকে পাঠদানত যতি নপৰাকৈ আদৰ্শ সম্পন্ন কৰিবলৈ নেতাদ্বয়ে আহ্বান জনাই

## ওৰাঙৰ ...